**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-Aug-2025
**Time :** 0755  Hrs

***Assamese Morning Bulletin***

———————————————

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি ৰাজ্যৰ বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহৰ ৰূপায়ণৰ অগ্ৰগতিৰ বুজ ল'বলৈ এখন গুৰুত্বপূৰ্ণ বৈঠকত অধ্যক্ষতা কৰে। এই বৈঠকত বিভিন্ন খণ্ডৰ প্ৰকল্পসমূহৰ বিষয়ে পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে মুখ্য সচিব ডঃ ৰবি কোটাক প্ৰকল্পসমূহ নিয়মিতৰূপত পৰ্যৱেক্ষণ কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লোকনিৰ্মাণ বিভাগৰ ঠিকাদাৰসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হৈ ৰাজ্যজুৰি চলি থকা আন্তঃগাঁথনিমূলক প্ৰকল্পসমূহৰ বিষয়ে আলোচনা কৰে। তেওঁ লগতে ক্ৰীড়া, যুৱ কল্যাণ, লোকনিৰ্মাণ বিভাগ আৰু বিত্ত বিভাগৰ বিষয়াসকলৰ সৈতে কালি আলোচনাত মিলিত হয়। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগ আৰু স্বাস্থ্য, শিক্ষা, গৃহকে ধৰি বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতেও বৈঠকত মিলিত হৈ নিয়োগ সম্পৰ্কীয় বিভিন্ন বিষয় আলোচনা কৰে। তদুপৰি মুখ্যমন্ত্ৰীয়ে কালি জিলা আয়ুক্ত আৰু সম-জিলা আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্স যোগে বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত ১৭ৰ পৰা ২৩ ছেপ্তেম্বৰলৈ উদযাপন কৰিবলগীয়া সেৱা সপ্তাহৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰা হয়। এই কাৰ্যসূচীৰ অধীনত তৃতীয় পৰ্যায়ৰ অৰুণোদয়ৰ শুভাৰম্ভ কৰা হ'ব। ইয়াৰ লগতে গ্ৰন্থবৰ্ষ উপলক্ষে এহেজাৰগৰাকী লেখকক ২৫ হাজাৰ টকাকৈ আৰ্থিক সাহায্য প্ৰদান আৰু ৭৫টা স্বেচ্ছামূলক ৰক্তদান শিবিৰৰ আয়োজন কৰা হ'ব। পৰিৱেশ সজাগতা অভিযানৰ অংশ হিচাপে ২০ হাজাৰ শিক্ষানুষ্ঠানলৈ ১৫ লাখ গছপুলি বিতৰণ কৰা হ'ব। ইয়াৰ উপৰি মিছন বসুন্ধৰা তৃতীয় পৰ্যায়ৰ অধীনত ভূমি পট্টা বিতৰণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

oooooo

বৰাক উপত্যকাৰ দুদিনীয়া ভ্ৰমণসূচীৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আজি দুপৰিয়া শিলচৰত উপস্থিত হ'ব। তেওঁ প্ৰথমে উদাৰবন্দৰ কাছাকান্তি মন্দিৰ দৰ্শন কৰাৰ পাছত শিলচৰৰ ৰাংগীৰখাৰি পইণ্টত নেতাজী সুভাষ চন্দ্ৰ বসুৰ নৱনিৰ্মিত মূৰ্তি উন্মোচন কৰিব। বিয়লি তেওঁ এখন জনসভাত ভাষণ দিব। মুখ্যমন্ত্ৰীয়ে আজি আবেলি ঘুংগুৰ বাইপাছত ছহিদ মংগল পাণ্ডেৰ নৱনিৰ্মিত মূৰ্তি উন্মোচন কৰাৰ লগতে শিলচৰ টেনিচ ক্লাব পৰিদৰ্শন কৰিব। কাইলৈ তেওঁ শ্ৰীভূমি জিলাৰ পাথাৰকান্দি সম-জিলালৈ গৈ নৱনিৰ্মিত মণ্ডল বিজেপিৰ কাৰ্যালয় উদ্বোধন কৰিব। তেওঁ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ কাৰ্যসূচীতো অংশ ল'ব।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ এঘাৰ বজাত মন কী বাত অনুষ্ঠানত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব  আকাশবাণীযোগে প্ৰচাৰিত মন কী বাতৰ ১২৫ সংখ্যক খণ্ড।  এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেৱছাইট আৰু newsonair মোবাইল এপত শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৰ চেনেল যোগেও এই অনুষ্ঠানৰ লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।  এই অনুষ্ঠান ৰাজ্যখনৰ আটাইবোৰ আকাশবাণী কেন্দ্ৰই ৰীলে কৰিব। নিশা ৮ বজাত এই অনুষ্ঠানৰ অসমীয়া ভাষান্তৰ পুনৰ প্ৰচাৰ কৰা হ'ব।

oooooo

শ্ৰীসত্য সাই সেৱা সংস্থা ইণ্ডিয়াৰ উদ্যোগত সংস্থাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে ডিব্ৰুগড়ত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে **শ্ৰীসত্য সাই ৰাণ এণ্ড ৰাইট ফৰ দা স্পিৰিট অফ ইউনিটি** অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উদ্দেশ্যে আজি পুৱা ৫ বজাত হাতীমূৰাৰ প্ৰশান্তি ডিভাইন স্কুলৰ পৰা এটা সদভাৱনা ৰেলী উলিওৱা হয়। এই অনুষ্ঠানত অন্ধ্ৰপ্ৰদেশৰ প্ৰশান্তি নিলয়মৰ পৰা প্ৰেম আৰু সম্প্ৰীতিৰ বাৰ্তা কঢ়িয়াই শ্ৰীসত্য সাই সেৱাৰ এগছি বন্তি ডিব্ৰুগড়লৈ অনা হৈছে, যাতে এই বন্তিৰ পোহৰে সমগ্ৰ দেশতে প্ৰেম আৰু সম্প্ৰীতিত বাৰ্তা বিলায় দিয়ে।

০০০০০০

ডিব্ৰুগড় জিলাৰ কলৌলোৱা গাঁও পঞ্চায়তৰ অন্তৰ্গত চেনিমাৰী গাঁৱৰ ভক্তি চেতিয়া নামৰ এজন যুৱক কিছুদিন পূৰ্বে দুৰ্ঘটনাবশত ৰে'লৰে দলঙত বিদ্যুৎপৃষ্ট হৈ বুঢ়ীদিহিং নদীত পৰে। মন্ত্ৰী বিমল বৰাই ঘটনা সন্দৰ্ভত জিলা আয়ুক্তৰ লগতে স্থানীয় প্ৰশাসনৰ সৈতে বাৰ্তালাপ কৰি যুৱকজনক উদ্ধাৰ কৰাৰ ক্ষেত্ৰত সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বাহিনীয়ে যুৱকজনক উদ্ধাৰৰ চেষ্টা অব্যাহত ৰাখিছে যদিও বৰ্তমানলৈ কোনো সন্ধান লাভ কৰিবলৈ সমৰ্থ হোৱা নাই। কালি মন্ত্ৰী বিমল বৰাই যুৱকজনৰ বাসগৃহত উপস্থিত হৈ পৰিয়ালৰ লোকক সাক্ষাৎ কৰি উদ্ধাৰ অভিযানৰ বিষয়ে অৱগত কৰে। মন্ত্ৰীগৰাকীৰ সৈতে সমজিলা আয়ুক্ত পৰীক্ষিত ফুকন, চক্ৰ বিষয়া মামুন সোণোৱাল, সমজিলাৰ আৰক্ষী অধীক্ষক অমিত ৰঞ্জন বৰ্মন আৰু প্ৰশাসনৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

ৰাষ্ট্ৰীয় লোক আদালতৰ অংশ হিচাপে লখিমপুৰ জিলাত অহা ১৩ ছেপ্তেম্বৰত লোক আদালতৰ আয়োজন কৰা হৈছে। জিলা আইনসেৱা প্ৰাধিকৰণৰ উদ্যোগত লখিমপুৰ জিলা ন্যায়ালয় আৰু ঢকুৱাখনা মহকুমা ন্যায়ালয়ত এই আদালতৰ আয়োজন কৰা হৈছে। এই আদালতৰ জৰিয়তে শ্ৰম বিবাদ, বেংকৰ ঋণ অনাদায়কে ধৰি সমিলমিলেৰে মীমাংসা কৰিব পৰা ফৌজদাৰী আৰু দেৱানী গোচৰ নিষ্পত্তি কৰা হ'ব। লখিমপুৰ জিলা আইন প্ৰাধিকৰণৰ বিষয়াসকলে লোক আদালতৰ সুবিধা গ্ৰহণ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

০০০০০০

সমাপ্ত